# 2020

( Held in 2021 )

## ASSAMESE

Paper : CC–6

**( Study on Assamese Drama )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) শংকৰদেৱৰ দ্বাৰা ৰচিত শেষৰ নাটখনৰ নাম আছিল

*(i)* 'কালিয় দমন'

*(ii)* 'ৰাম বিজয়'

*(iii)* 'কেলি গোপাল'

*(iv)* 'ৰুক্মিণী হৰণ'

(খ) 'শ্ৰী নিবাৰণ ভট্টাচাৰ্য' নাটখন কিমান চনত প্ৰকাশ হৈছিল?

*(i)* ১৯৬৭

*(ii)* ১৯৬৮

*(iii)* ১৯৬৯

*(iv)* ১৯৭০

(গ) ৰূপালীমৰ দেউতাকৰ নাম আছিল

*(i)* জুনাফা

*(ii)* মণিমুগ্ধ

*(iii)* ৰেণথিয়াং

*(iv)* মায়াব'

(ঘ) কৃষ্ণ-বলৰামক মথুৰালৈ মল্লযুদ্ধ চাবলৈ কোনে আমন্ত্ৰণ জনাব আহিছিল?

*(i)* অক্ৰূৰ

*(ii)* উগ্ৰসেন

*(iii)* দেৱক

*(iv)* উদ্ধৱ

(ঙ) কুণ্ডিনলৈ যোৱা কৃষ্ণৰ ভাটজনৰ নাম আছিল

*(i)* বেদনিধি

*(ii)* হৰিদাস

*(iii)* সুৰভি

*(iv)* দাৰুক

(চ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটকখন আছিল

*(i)* 'ৰূপালীম'

*(ii)* 'শোণিত কুঁৱৰী'

*(iii)* 'লভিতা'

*(iv)* 'কাৰেঙৰ লিগিৰী'

২। তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) অৰুণ শৰ্মাৰ দ্বাৰা ৰচিত দুখন নাটকৰ নাম উল্লেখ কৰা।

(খ) ৰুক্মিণীৰ সখীয়েক দুগৰাকীৰ নাম কি আছিল?

(গ) মণিমুন্ধ কোন ৰাজ্যৰ ৰজা আছিল? তেওঁৰ সেনাপতি দুজনৰ নাম কি আছিল?

(ঘ) কংসৰ মল্লযোদ্ধা দুজনৰ নাম কি আছিল?

(ঙ) "হে পিতা বাপে উপজল মাত্ৰ, তোহো প্ৰাণদান দেলি। তোহাৰ গুণ সৃজয়ে নাহি পাৰো।" উক্ত কথাষাৰ কোনে, কাৰ আগত ব্যক্ত কৰিছিল?

৩। তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) নাটকৰ পঞ্চসন্ধি বুলিলে কি বুজা?

(খ) 'ৰুক্মিণী হৰণ' নাটত প্ৰকাশ পোৱা হাস্যৰসৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(গ) ৰূপালীমৰ মৃত্যুৰ বাবে প্ৰধানভাৱে দায়ী কোন? আলোচনা কৰা।

(ঘ) শঙ্কৰোত্তৰ যুগত নাট ৰচনাৰ মান কেনেদৰে অৱনমিত হ'বলৈ ধৰিছিল সেই বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঙ) 'শ্ৰী নিবাৰণ ভট্টাচাৰ্য' নাটকখনৰ মূল চৰিত্ৰটোৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে সংক্ষেপে আলোচনা কৰা।

(চ) 'কংস বধ' নাটকত কি কি ৰসৰ সমাবেশ ঘটিছে, চমুকৈ আলোচনা কৰা।

(ছ) চমু টোকা লিখা (যি কোনো এটা) :

মণিমুন্ধ; জুনাফা।

(জ) ''হে পাপী সোদৰ। তোহো সাত শত্ৰুতো অধিক ভেলি। প্ৰাণ কৃষ্ণ সহিত কৈচে হামাক বঞ্চিত কয়লি।'' উক্ত কথাষাৰ কোনে, কাক, কি প্ৰসঙ্গত কৈছিল? আলোচনা কৰা।

(ঝ) চমু টোকা লিখা (যি কোনো **এটা**) :

কংস; উদ্ধৱ।

৪। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমীয়া নাটকৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) উদ্ভট নাটকৰ লক্ষণসমূহ উল্লেখ কৰি 'শ্ৰী নিবাৰণ ভট্টাচাৰ্য' নাটখনত সেই লক্ষণসমূহ কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

(গ) 'কংস বধ' নাটখনত কৃষ্ণ চৰিত্ৰটোৰ মাজেৰে মানবীয় আৰু ঐশ্বৰিক দিশটো কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটৰ মূল কি? নাটখনত নাট্যকাৰৰ মৌলিকতা কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(খ) ''জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটসমূহ প্ৰধানকৈ নাৰী চৰিত্ৰ-প্ৰধান।'' এই কথাষাৰৰ আঁত ধৰি তেওঁৰ নাটকত নাৰীৰ স্থান আৰু 'ৰূপালীম' নাটকখনত প্ৰকাশ পোৱা মুখ্য নাৰী চৰিত্ৰ দুটাৰ বিষয়ে আলোচনা কৰা।

★★★